এটা দিন অবাবতে কটাব পৰা মানুহ নহয় তেওঁ।” ৰেণুৰ কথাত শ্লেষ-অভিমান-খং আটাইবোৰ অনুভূতিৰ সমাৱেশ হৈছিল। ডেকাই তলমূৰ কৰিলে।

“জানো, মোৰ বৰ ডাঙৰ ভুল হৈ গ'ল। খুৰা ঢুকুৱাৰ খবৰ পোৱাহেঁতেন মই জানো নহাকৈ থাকিলোঁহেঁতেন?” তলমূৰকৈ ক'লে ড° ভুবন ডেকাই।

“মানে মৃত্যুৰ খবৰ পালেহে আহিবা তুমি!” প্ৰচণ্ড আক্ৰোশত ৰেণুৰ চকুৰে জুই বৰষিছিল। সুমলাই জীয়েকৰ এই ৰূপ আগতে কোনোদিনেই দেখা নাছিল। ভুবন ডেকাই তলমূৰ ওপৰ কৰিব পৰা নাছিল।

“তই ল'ৰাটোক কিয় তেনেকৈ কৈছ? সি এতিয়া আগৰ ল'ৰাটো হৈ থকা নাই। দায়িত্ব আৰু কৰ্তব্য সম্পৰ্ক আৰু আত্মীয়তাৰ উৰ্ধ্বত। দেউতাৰে সেই কথাকে কৈ গ'ল ওৰে জীৱন।” সুমলাই পৰিস্থিতিটো চম্ভালি লোৱাৰ চেষ্টা কৰিলে।

“নাই নাই, খুৰীদেউ। ৰেণুৱে ঠিকেই কৈছে। মোৰ উজনিলৈ বদলি হৈছে প্ৰিন্সিপাল হিচাপে। ইয়াৰপৰা উভতি গৈয়ে মই যামগৈ। এবাৰ সেইখিনি পালেগৈ আকৌ কাহানি এইফালে অহাৰ সুবিধা হয় নাজানো। সেই কাৰণেই এবাৰ আপোনালোকক লগ পাই যাওঁ বুলি আহিছিলোঁ। এইখিনি সময়তে যে ইমানবোৰ ঘটনা ঘটি গ'ল মই সঁচাকৈয়ে গম পোৱা নাছিলোঁ।” সুমলা আৰু ৰেণু দুয়োজনীৰ সন্মুখত ড° ডেকাৰ নিজকে বৰ স্বাৰ্থপৰ আৰু সুবিধাবাদী মানুহ যেন লাগিল।

“মই পৰহিলৈ উজনিলৈ যামগৈ। কালিয়েই ইয়াৰপৰা ৰিলিজ ল'লোঁ। আজি নিশাটো ইয়াতে থাকি যাওঁ।” শেষৰ কথাখিনি ড° ডেকাই ৰেণুক উদ্দেশি ক'লে। ৰেণুৱে হা-না একো নক'লে। সুমলাৰ মুখখন ভুবন ডেকাৰ কথা শুনি উজলি উঠিল। স্বামীৰ মৃত্যুৰ পাছত এই প্ৰথম তেওঁৰ মনটো অকণমান পাতল লাগিল।

ৰাতি সোনকালেই ভাত খালে তিনিওজনে। সুমলাক ডেকায়েই খুৱাই দিলে। তেওঁ বাধা দিছিল কিন্তু ৰেণুৱে মুখপাতি ধৰিলে— “এদিন যে আপোনাক ভাত এগৰাহ খুৱাই দিব পাৰিছে সেইটো তেওঁৰহে ভাগ্য। ইমানদিন খবৰ এটাও নোলোৱা মানুহটোৰ সেইকণ সতবুদ্ধি যে উদয় হৈছে।” ডেকাই একো নামাতিলে। ৰেণুৱে মাকৰ মুখ ধুৱাই দিওঁতে তেওঁ ৰেণুৰ কামবোৰলৈ চাই আছিল। মুখ মচিবলৈ গামোচাখন আগবঢ়াই দিওঁতে তাইৰ হাতত তেওঁৰ হাত লাগিল। কেইটামান মুহূৰ্ত মাত্ৰ। ডেকাই অনুভৱ কৰিলে এক মুহূৰ্তৰ কাৰণে তেওঁৰ শৰীৰেৰে যেন বিদ্যুতহে প্ৰৱাহিত হ'ল।

ৰাতি শোওঁতে দেৰি হৈছিল। মাকৰ বিছনাখনৰ আঁঠুৱা তৰি দি ৰেণুৱে ডেকাৰ বিছনাখনো জাৰি-জোকাৰি পাৰি দিলে। ডেকা আগতে শোৱা কোঠাটো তেনেকৈয়ে আছিল। মাত্ৰ পঢ়া টেবুলখনৰ ওপৰত থকা কিতাপ-পত্ৰবোৰ এতিয়া নাই। সৰু আলমাৰিটো, কাঠৰ আলনাডাল, আনকি পুৰণা আঁঠুৱাখনো আগৰ দৰেই আছিল।

“কোঠাটো আগৰ দৰেই আছে।” ৰেণুৱে বিছনাচাদৰ পাৰিছিল। ভুবন ডেকাৰ মাত শুনি তাই তেওঁৰ ফালে ঘূৰি চালে।

“থাকিব নালাগিছিল নেকি?” তাইৰ চকুৰ মণি দুটা দুটুকুৰা হীৰাৰ দৰে জ্বলিছিল। ডেকাই বেছি সময় তাইৰ ফালে চাই থাকিব নোৱাৰিলে।

“তুমি কথাবোৰ কিয় তেনেকৈ কৈছা?” সেপ ঢুকিছিল ডেকাই।

“বেয়া পাইছা? আৰু কেনেকৈ ক'ব লাগে? তোমাৰ পৃথিৱীখন আমাতকৈ বহুত বেলেগ। তোমালোকৰ দৰে আমি অন্তৰৰ আচল অনুভূতিবোৰ ঢাকি-ঢুকি কথা ক'ব নাজানো। বেয়া নাপাবা বুলি ক'বও নোখোজোঁ।” বিছনাখন পাৰি গাৰু দুটাত গিলিপ লগালে ৰেণুৱে। বগা গিলিপ দুটাত থকা তাই নিজ হাতে তোলা গোলাপ ফুল দুপাহৰ ৰঙা ৰংটো ডেকাৰ গাল-মুখলৈ বিয়পি পৰিল।

“আঁঠুৱাখন এতিয়াই নতৰিবা।” ডেকাই ৰেণুক আঁঠুৱাখন তৰিবলৈ বাধা দিলে।

“মহ আছে। এনকেফেলাইটিছ, মেলেৰিয়া, ডেংগু হৈ মৰিলে মোকেই দুষিব তোমাৰ মানুহবোৰে।”

“তোমালোকৰ বাহিৰে মোৰ কোনো আপোন মানুহ নাই। তুমি সেইকথা ভালদৰে জানা।” ডেকাৰ মাতত ক্ষোভৰ সুৰ আছিল। ৰেণুৱে আঁঠুৱাখন গাৰু দুটাৰ ওপৰতে থ'লে।

“সেইকাৰণে আজি এবছৰ আমাৰ এটা খবৰ ল'বলৈও তোমাৰ সময় নহ'ল।” তাই তাৰ মুখামুখিকৈ থকা চকী এখনত বহিল এইবাৰ।

“তাৰ কাৰণে মই অনুতপ্ত। কেৰিয়াৰ লৈ ব্যস্ত হৈ পৰিছিলোঁ। ডক্টৰেট কৰাটো দৰকাৰ আছিল। কলেজত ল'ৰা-ছোৱালী পঢ়ায়েই জীৱনটো কটাই দিয়াৰ কথা ভবা নাছিলোঁ।”

“তোমাৰ জীৱনটো তুমি কেনেকৈ কটোৱা সেয়া তোমাৰ কথা।”

“কিন্তু মোৰ জীৱনটো যে তোমালোকেই দিয়া।” অৱশেষত ডেকাই তাইৰ চকুলৈ চাবলৈ সাহস পালে।

“আমাৰ খবৰ ল'বলৈ আহি তাৰ প্ৰতিদান দিছা?”

“উঃ। বাৰে বাৰে কিয় এনেদৰে খুঁচি আছা? কৈছোঁ নহয় মোৰ ব্যৱহাৰৰ কাৰণে মই অনুতপ্ত। খোঁচা-খুঁচি কৰিবলৈ এৰি তুমি আগৰ দৰে জানো মোৰ লগত কথা পাতিব নোৱাৰা?”

“একোৱেই যে আগৰ দৰে হৈ থকা নাই। দেউতা নাই, মা আছে যদিও থকা-নথকা সমান। তুমিও তাহানিৰ ভুবন হৈ থকা নাই। ময়ো অতীতৰ ৰেণু নহয়। সময়ে কাকো ৰেহাই নিদিয়ে।” ৰেণুৱে দুইখন হাতেৰে তাইৰ মুখখন ঢাকি ধৰিলে। ডেকা অস্থিৰ হৈ পৰিল। এনে এটা মুহূৰ্তৰ কাৰণে তেওঁ প্ৰস্তুত নাছিল। কি ক'লে ৰেণু আস্বস্ত হ'ব তেওঁ ভাবি নাপালে। সপোনত খোজকঢ়া মানুহৰ দৰে এটা মুহূৰ্তত তেওঁ বহি থকা চকীখনৰপৰা উঠি ৰেণুৰ ওচৰ পালে। তাইৰ হাত এখন তেওঁ নিজৰ দুয়োখন হাতৰ মাজত তুলি ল'লে। ৰেণুৱে মূৰটো আঁউজাই দিলে বহি থকা চকীখনতে। তাইৰ চুলিৰ সুবাস ডেকাৰ নাকত লাগিল। চিনাকি চিনাকি গোন্ধ, কিন্তু ধৰিব নোৱাৰি কিহৰ সুবাস সেয়া। শেৱালি, তগৰ, চম্পা নে জাঁই ফুলৰ গোন্ধ? ডেকাৰ নাকটো দীঘল হৈ যেন ৰেণুৰ চুলিৰ মাজে মাজে ঘূৰি ফুৰিল। দুই হাতৰ মাজত লৈ থকা ৰেণুৰ হাতখন উঠি আহি তেওঁৰ গালত লাগিল। লাহে লাহে বহাৰপৰা উঠি থিয় হ'ল ৰেণু। ডেকাৰ চকু তাইৰ মূৰৰ চুলিৰপৰা পিছলি গ'ল তাইৰ মুখমণ্ডল, গ্ৰীৱা, উঠন বুকু, নাভি, উৰুৰ ওপৰেদি। মহঙা মহঙা গোন্ধ এটা কোঠাটোত বিয়পি পৰিল। বহুদূৰ দৌৰি অহাৰ দৰে সিহঁত দুয়োটাৰে উশাহ-নিশাহবোৰ খৰ হ'ল। ঠিক সেই মুহূৰ্ততে প্ৰচণ্ড শব্দ কৰি আকাশখন ভাগি পৰিল। চকখাই ৰেণুৱে তেওঁক জোৰকৈ সাবটি ধৰিলে। হৰহৰকৈ নামি অহা বৰষুণজাকৰ লগে লগে কোঠাটোৰ একমাত্ৰ বাল্বটো নুমাই থাকিল।

কিমান সময় দুটা মানুহ এটা হৈ বিছনাখনত বাগৰি আছিল এটাৰো খেয়াল নাছিল। কাণৰ কাষত মহৰ কুনকুননি শুনিলে প্ৰথমে ৰেণুৱে।

“আঁঠুৱাখন তৰি দিব লাগিছিল।” ফুচফুচাই ক'লে তাই ভুবনৰ কাণত।

“গজালকেইটা আগৰ জেগাতে আছেনে?” তাইৰ বুকুৰপৰা মূৰটো তুলি সুধিলে ভুবনে।

সাপৰ দৰে তাই তাক মেৰিয়াই ধৰিলে। তাৰ নোমাল বুকুত তাই নাক ঘঁহালে।

“একোৱেই এতিয়া আৰু আগৰ দৰে হৈ থকা নাই।” ফুটা-নুফুটা মাতেৰে ক'লে তাই। ড° ভুবন ডেকাই তাইক জোৰকৈ সাবটি ধৰিলে। তাৰ উদং বুকুত তাইৰ মাখনৰ দৰে কোমল বুকুখন পিষ্ট হ'ল। বৰষুণজাক আকৌ আহিল হিলদল ভাঙি। খোলা খিৰিকীয়েদি সোমাই অহা চেঁচা বতাহজাকে সিহঁতৰ উদং শৰীৰ দুটা চুই গ'ল। বিছনাচাদৰখন গাৰ ওপৰলৈ টানি লৈ সিহঁত দুটা এক হৈ গ'ল। কুনকুনাই থকা মহকেইটাই লাজ পাই কোঠাটোৰ এচুকে গৈ খাপ পিতি ৰ'ল পোহৰ হোৱালৈ।

(আগলৈ)

ঠিকনা ঃ জুৰিপাৰ পথ, তৃতীয় গলি, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭, ফোন ঃ ৯৪৩৫০৪৬৮৯২